# ষষ্ঠ অধ্যায়

উপসংহাৰ ৩২৬ -৩৩৪

Created by Universal Document Converter

# ষষ্ঠ অধ্যায়

## উপসংহাৰ

ইতিমধ্যে আলোচিত অধ্যায়সমূহৰ যোগেদি ধাৰণা কৰিব পৰা যায় যে অসমত প্ৰাচীন কালৰে পৰা গীতি-সাহিত্যৰ ধাৰা এটা শক্তিশালী ৰূপত প্ৰৱাহমান হৈ আহিছিল। অন্যান্য সাহিত্যতকৈ গীতি-সাহিত্যই মৌখিক সাহিত্যৰ যুগৰে পৰা লিখিত সাহিত্যৰ যুগলৈকে সবাতোকৈ বেছি জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈছিল। অসমীয়া ভাষাত লিখিত দহ-বাৰ শতিকাৰ তান্ত্ৰিক বৌদ্ধ ধৰ্মীয় চৰ্যাগীত সমূহৰ পৰা বৰ্তমান সময়লৈকে লিখিত গীতি-সাহিত্যই ধাৰাবাহিকতা ৰক্ষা কৰি আহিছে। অৱশ্যে দ্বাদশ শতিকাৰ পিছত দুই দশক কাল জুৰি সম্ভৱতঃ উপযুক্ত সংৰক্ষণৰ অভাৱ আৰু প্ৰাকৃতিক দুৰ্যোগত নষ্ট হৈ যোৱাৰ কাৰণে লিখিত গীতি-সাহিত্যৰ নিদৰ্শন পাবলৈ নাই যদিও মৌখিক গীতি- সাহিত্যই এই ধাৰাটোক অব্যাহত ৰাখিছিল। ঐতিহ্য পূৰ্ণ আৰু ধাৰাবাহিকতাৰে সমৃদ্ধ অসমীয়া গীতি-সাহিত্যই প্ৰাকশংকৰী আৰু শংকৰী যুগত বিস্তাৰ লাভ কৰা দেখা গৈছিল। এই গীতি-সাহিত্যসমূহ মূলতঃ অনুবাদমূলক সাহিত্য। প্ৰাক-শংকৰী যুগৰ হেম সৰস্বতী, হৰিবৰ বিপ্ৰ, কবিৰত্ন সৰস্বতী, ৰুদ্ৰ কন্দলী মাধৱ-কন্দলী আদিয়ে তেওঁলোকৰ সাহিত্যিক জীৱন যাত্ৰাত মুখ্যতঃ গীতিকাব্যৰ ৰচনাৰেই অসমীয়া গীতি-সাহিত্যৰ ভৰাঁল সমৃদ্ধ কৰিছিল।

অসমীয়া গীতি-সাহিত্যৰ ধাৰাটোৱে বৈষ্ণৱ যুগত এক বিকশিত ৰূপ ধাৰণ কৰিছিল। শংকৰদেৱ আৰু তেওঁৰ প্ৰিয় শিষ্য মাধৱদেৱৰ হাতত সৃষ্টি হোৱা ভক্তিমূলক সংগীতৰ এটি নতুন ধাৰাই পোন্ধৰ শতিকাৰ পৰা আজি পৰ্যন্ত সংগীতৰ এক নিৰৱচ্ছিন্ন প্ৰৱাহ বোৱাবলৈ সক্ষম হৈছিল। ৰাগ আৰু তালৰ সংযোজনেৰে এই দুজন সংগীতকাৰে সৃষ্টি কৰা ধৰ্মীয় গীতসমূহ মহৎ বিষয়বস্তু, সৌষ্ঠৱপূৰ্ণ ৰচনা

Created by Universal Document Converter

ভংগী, শাস্ত্ৰীয় সুৰৰ গাম্ভীৰ্য আৰু কল্পনাৰ সংযমে এই গীতসমূহক সমসাময়িক গীতিকাৰসকলৰ গীতৰ পৰা পৃথক কৰিছে বাবেই পিছলৈ এই গীতসমূহ বৰগীত নামেৰে চিহ্নিত হৈছিল। বৈষ্ণৱ যুগৰ পাচাঁলি কবিসকল, শংকৰদেৱৰ সমসাময়িক অনন্ত কন্দলী, শ্ৰীধৰ কন্দলী আদিয়েও উল্লেখযোগ্য বৰঙনিৰে অসমীয়া গীতিসাহিত্যৰ ধাৰাটোক অব্যাহত ৰাখিছিল। তাৰ পৰৱৰ্তী সময়ত আজান পীৰ ৰচিত জিকিৰ গীতসমূহ, ইছলাম ধৰ্মীয় আখ্যানসমূহৰ বৰ্ণনাৰে জাৰিগীতসমূহেও অসমীয়া গীতি-সাহিত্যৰ ভৰাঁল সমৃদ্ধ কৰিছিল।

সোতৰ শতিকাত ভালেকেইজন গীতিকাৰে আত্মপ্ৰকাশ কৰিছিল। সেই সময়ছোৱাৰ উল্লেখযোগ্য গীতিকাৰ সকল হ'ল, ৰামচৰণ ঠাকুৰ, দৈত্যাৰি ঠাকুৰ, গোপাল আতা, আঁহতগুৰিৰ শ্ৰীৰাম আতা আৰু ৰমানন্দ দ্বিজ, দিহিঙৰ বৰযদুমণি আৰু তেওঁৰ পুত্ৰ সনাতনদেৱ, গুৰুনাতি চতুৰ্ভূজদেৱ আৰু পুৰুষোত্তম ঠাকুৰ আদি। ভৱানীপুৰীয়া গোপাল আতাই প্ৰৱৰ্তন কৰা কালসংহতিৰ অন্তৰ্ভূক্ত সত্ৰৰ গোসাঁইসকলৰ অসমীয়া গীতি-সাহিত্যলৈ অৱদান লেখত লবলগীয়া। ভৱানীপুৰীয়া গোপাল আতাৰ দুহিতা পদ্মপ্ৰিয়ায়ো গীতি-সাহিত্য ৰচনাৰে অসমীয়া গীতি-সাহিত্যলৈ বৰঙনি যোগাইছিল। পৰৱৰ্তী সময়ত অসমীয়া গীতি-সাহিত্যৰ বিস্তাৰ আৰু অৱসাদৰ কালত চেগা চোৰোকাকৈ বিভিন্ন ধৰ্মাচাৰ্যসকলে বৰগীতৰ আৰ্হিত গীত আৰু ধৰ্মমূলক নাটকৰ বাবে ৰচনা কৰা গীতে বৰগীতৰ মৰ্যদা নাপালেও লিখিত গীতৰ ধাৰাবাহিক সূঁতি এটা চলি আছিল। অসমীয়া গীতি-সাহিত্যৰ ধাৰাটোক অক্ষুণ্ন ৰখাত অসমীয়া ৰজাঘৰীয়া পৃষ্ঠপোষকতাৰ কথাও অৱশ্যেই উল্লেখনীয়। বৰাহী ৰজাৰ পৃষ্ঠপোষকতাৰ কথা মাধৱ কন্দলীয়ে ৰচনাত উল্লেখ কৰিছিল। আহোম ৰাজশাসনৰ কালছোৱাত গীত-ভাওনা-চিত্ৰকলাৰ প্ৰতি আগবঢ়োৱা পৃষ্ঠপোষকতাৰ বিষয়ে সাহিত্যৰ বুৰঞ্জীকাৰসকলে উল্লেখ কৰিছে। স্বৰ্গদেউ ৰুদ্ৰসিংহ (১৬৯৬-১৭১৪ )আৰু স্বৰ্গদেউ শিৱসিংহ (১৭১৪-১৭৪৪) নিজে একোজন গীতিকাৰ আছিল। (নেওগ, ২০০৮, পৃঃ ১৮২)

ঊনবিংশ শতিকাতঅসমৰ সামাজিক-সাংস্কৃতিক জীৱনলৈ অহা যুগান্তকাৰী পৰিৱৰ্তনে গীতি-

Created by Universal Document Converter

সাহিত্যত ৰূপান্তৰৰ সূচনা কৰে। ইয়াণ্ডাবু সন্ধিৰ জৰিয়তে বৃটিছৰ অধীনলৈ যোৱা অসমত বঙালী ভাষাৰ প্ৰচলন হোৱাৰ পিছত আমেৰিকান বেপ্টিষ্ট মিশ্যনেৰীসকলে অসমত ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে আৰম্ভ কৰা কৰ্ম তৎপৰতাই অসমীয়া ভাষা আৰু সংস্কৃতিৰ ক্ষেত্ৰত সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলায়। মিশ্যনেৰীসকলে খ্ৰীষ্ট ধৰ্ম প্ৰচাৰৰ অৰ্থে অসমীয়া ভাষাত পশ্চিমীয়া ধাৰাৰ ধৰ্মীয় সংগীতৰ প্ৰবৰ্তন কৰে। এনে গীতৰ প্ৰখ্যাত লেখকসকল আছিল, নেথান ব্ৰাউন, মাইলচ ব্ৰন্‌চন্, নিধি লিবাই ফাৰৱেল ইত্যাদি। অসমীয়া খ্ৰীষ্টীয় ধৰ্মীয় গীত ৰচনাৰ সমসাময়িক ভাৱে অসমৰ গীতিকাৰসকলৰ মাজত নব্য বংগ সংস্কৃতিৰ অনুপ্ৰেৰণা ক্ৰমে সম্পূৰ্ণ বাংলা গীত অথবা বঙালী সুৰীয়া গীতেহে প্ৰশান্তিৰ সুৰ জাগ্ৰত কৰিব পাৰিছিল। ফলত এসময়ৰ ভাৱ আৰু ভাষাৰ লালিত্যৰে পৰিপূৰ্ণ আৰু অসমীয়া সংস্কৃতিৰে বৈভৱেৰে সমৃদ্ধ প্ৰাচীন অসমীয়া গীতি- সাহিত্যই ঊনৈশ শতিকাৰ এছোৱালৈকে স্বকীয় সৌন্দৰ্য হেৰুৱাই পেলায়। তাৰ মাজতেই ১৮৫৮ চনত নগাৱঁত জন্ম লাভ কৰা ভোলানাথ দাসে তেওঁৰ পূৰ্ববৰ্তী কবি ৰমাকান্ত চৌধুৰীয়ে অমিত্ৰাক্ষৰ ছন্দত ৰচনা কৰা *অভিমন্যু-বধ* নামৰ কাব্য-সাহিত্যৰ পথ অনুসৰণ কৰি অসমীয়া আধুনিক গীতি- সাহিত্যৰ জগতত *সীতা-হৰণ* কাব্যৰ ৰচনাৰে প্ৰথম পদক্ষেপ পেলাবলৈ প্ৰয়াস কৰে। ভোলানাথ দাসে ৰচনা কৰা 'মেঘ ', 'মধুহাঁসি' , 'কিয়নো নালাগে মন' আদি কবিতাক গীতি কবিতাৰ প্ৰথম প্ৰয়াস বুলি সাহিত্য সমালোচকসকলে ক'ব খোজে। অসমীয়া গীতৰ পৰা বঙলুৱা প্ৰভাৱ আঁতৰাবৰ বাবে যৎপৰোনাস্তি চেষ্টা কৰা গীতিকাৰসকলৰ ভিতৰত অগ্ৰগণ্য ব্যক্তি কেইগৰাকীমানৰ নাম এনে ধৰণৰ — সত্যনাথ বৰা,লক্ষ্মীনাথ বেজবৰুৱা, পদ্মনাথ গোহাঁঞিবৰুৱা, ৰঘুনাথ চৌধুৰী, ৰত্নধৰ বৰুৱা, হেমচন্দ্ৰ গোস্বামী, দুৰ্গেশ্বৰ শৰ্মা, ৰাধানাথ ফুকন ইত্যাদি। অৱশ্যে এই ক্ষেত্ৰত ভব্যতম কীৰ্তিস্তম্ভ হ'ল ১৯০৯-১০ চনত ৰচিত লক্ষ্মীৰাম বৰুৱাৰ *সংগীত- কোষ* আৰু *সংগীত -সাধনা* । এই পুথি দুখনে কলাসন্মত শাস্ত্ৰীয় সংগীতৰ পৰিচয় কৰাই দিছিল। লক্ষ্মীৰাম বৰুৱাই সৰ্বপ্ৰথম অসমীয়া গীতৰ স্বৰলিপি যুগুতাই প্ৰমাণ কৰিছিল যে থলুৱা গীতেও পৰম্পৰাগত শাস্ত্ৰীয় সংগীতৰ ৰূপ পৰিগ্ৰহ কৰিব পাৰে।

ক্ৰমাৎ চামে চামে আত্মপ্ৰকাশ কৰা আধুনিক যুগৰ গীতিকাৰসকলে বিভিন্ন ক্ষেত্ৰত গীত ৰচনাত মনোনিবেশ কৰিবলৈ আৰম্ভ কৰিছিল। এফালে সমগ্ৰ ভাৰতজুৰি আৰম্ভ হোৱা স্বদেশ প্ৰীতিয়ে

Created by Universal Document Converter

দেশ মাতৃকাৰ প্ৰতি শ্ৰদ্ধা আৰু দেশৰ বাবে আত্ম বলিদানৰ আহ্বানেৰে মুখৰ গীত, আনফালে সমগ্ৰ বিশ্ব জুৰি চলা ৰোমান্টিচিজমৰ প্ৰভাৱত প্ৰকৃতি প্ৰীতি, প্ৰেম আৰু সৌন্দৰ্যৰ প্ৰতি বিমুগ্ধতাৰ প্ৰকাশে গীতসমূহক নতুনত্ব প্ৰদান কৰিছিল। নতুন গীতিকাৰক আত্মপ্ৰকাশ আৰু বিকাশৰ সুবিধা প্ৰদান কৰাৰ ক্ষেত্ৰত *অৰুনোদই* আৰু *জোনাকী* কাকতৰ অৱদান উল্লেখনীয়। প্ৰাকস্বাধীনতা কালৰ গীতিকাৰসকলে বিভিন্ন ৰুচি আৰু মানসিকতাৰে লিখা গীত সমূহক আলোচনাৰ সুবিধাৰ্থে কেইটিমান বিশেষ ধাৰাত সামৰি লোৱা হৈছে। সেইধাৰাসমূহ হৈছে— নাটকৰ বাবে ৰচিত গীত, ৰোমাণ্টিক ধাৰাৰ গীত, দেশমাতৃৰ প্ৰশস্তিসূচক বা দেশপ্ৰেমমূলক গীত, স্বাধীনতাৰ গীত, লোক উপাদানেৰে পুষ্ট গীত, সমন্বয়ৰ গীত, আধ্যাত্মিক গীত, প্ৰকৃতিৰ সৈতে জীৱনবোধ জড়িত গীত আদি। কেইবাগৰাকী মহিলা গীতিকাৰেও সেই সময়ৰ গীতি-সাহিত্যৰ ধাৰাটোক অৰিহণা যোগাইছিল।

১৯৪৮ চনৰ পহিলা জুলাইত স্থাপন হোৱা গুৱাহাটীৰ আকাশবাণী (শ্বিলং-গুৱাহাটী) কেন্দ্ৰয়ো ভালে কেইজন গীতিকাৰক পোহৰলৈ আনে। সেইসকলৰ ভিতৰত বিশেষভাৱে উল্লেখযোগ্য হ'ল পুৰুযোত্তম দাস, চৈয়দ আব্দুল মালিক, ভূপেন হাজৰিকা, লক্ষহীৰা দাস, কমল নাৰায়ণ চৌধুৰী, ফণী তালুকদাৰ, হেমেন হাজৰিকা, ৰুদ্ৰ বৰুৱা, কেশৱমহন্ত, নৱ বৰুৱা, নৱকান্ত বৰুৱা, হীৰেন ভট্টাচাৰ্য, নিৰ্মলপ্ৰভা বৰদলৈ আদি। উল্লেখিত গীতিকাৰসকলৰ ভিতৰত আমাৰ আলোচ্য গীতিকাৰ ভূপেন হাজৰিকাৰ গীতসমূহ, ভাষাৰ লালিত্য, ভাৱৰ ওজস্বিতা, শব্দৰ নিটোল গাথঁনি,আৰু সুৰৰ নিখুঁত বিন্যাসৰ নিৰ্যাসেৰে স্বয়ংসম্পূৰ্ণ হৈ শ্ৰোতাৰ সন্মুখত উপস্থাপিত হৈছে। নিৰৱচ্ছিন্ন সৃষ্টিৰ প্ৰবাহেৰে সাতোটা দশক জুৰি শ্ৰোতাক মুগ্ধ কৰি ৰখা হাজৰিকাই গীতত জীৱন আৰু জগতৰ প্ৰতি মননশীল দৃষ্টি, মানৱ প্ৰীতি, প্ৰেম, সমাজবাদ, সমাজ-সংস্কাৰ আদিৰ দৰে বিষয়-বস্তুক স্থান দি গীতসমূহলৈ অভিনৱত্ব আনিছে। মানুহৰ সূক্ষ্ম অনুভূতিক অন্তৰ্দৃষ্টিৰে নিৰীক্ষণ কৰি তাক গীতত প্ৰয়োগ কৰি ভূপেন হাজৰিকাই শ্ৰোতাৰ হৃদয় স্পৰ্শ কৰা দেখা যায়। মানুহ বিষয়ক গীত ৰচনাত অধিক গুৰুত্ব দিয়া ভূপেন হাজৰিকাৰ গীতৰ নাৰী চৰিত্ৰসমূহ অধিক উজ্জ্বল বাবে ভূপেন হাজৰিকাৰ গীতৰ নাৰীসকলৰ বিষয়ে আলোচনা কৰাটো প্ৰয়োজন বুলি ভবা

Created by Universal Document Converter

হৈছে। কিন্তু তাৰ আগতে ভূপেন হাজৰিকাৰ ব্যক্তিগত জীৱন আৰু সাংগীতিক জীৱনত এভূমুকি মৰাটোও প্ৰয়োজন। কাৰণ তেওঁৰ জীৱন-ৰেখাৰ বিভিন্ন স্তৰত নাৰীৰ প্ৰসংগ জড়িত হৈ আছে। সেই প্ৰসংগবোৰ বিভিন্নভাবে তেওঁৰ গীতত ছন্দিত হৈছে। সেয়েহে আলোচনাৰ তৃতীয় অধ্যায়ত ভূপেন হাজৰিকাৰ জীৱনৰেখা, ভূপেন হাজৰিকাৰ সাহিত্যকৃতি, ভূপেন হাজৰিকাই জীৱনজুৰি লাভ কৰা স্বীকৃতি আৰু সন্মান, গীতিকাৰ হিচাপে ভূপেন হাজৰিকা আৰু সংগীতকাৰ হিচাপে ভূপেন হাজৰিকাৰ বিষয়ে যৎ কিঞ্চিত আলোচনাৰ প্ৰয়াস কৰা হৈছে। শৈশৱ অৱস্থাৰে পৰা জ্যোতিপ্ৰসাদ, বিষ্ণুপ্ৰসাদৰ সাংগীতিক সান্নিধ্যত বিকশিত ভূপেন হাজৰিকাই সাহিত্যিক, গীতিকাৰ ,সংগীতকাৰ আৰু ৰূপ-চিত্ৰকাৰ হিচাপে অসমীয়া সংস্কৃতিৰ ক্ষেত্ৰত সফলতাৰ পদচিহ্ন ৰাখি থৈ গৈছে। মেধাবী শক্তি আৰু দেশ-বিদেশৰ অধ্যয়নপুষ্ট জ্ঞানেৰে ভূপেন হাজৰিকাই অসমৰ সংগীত জগতলৈ এক মেটমৰা গীতৰ ভঁৰাল উপহাৰ দি থৈ গৈছে।

ভূপেন হাজৰিকাৰ নাৰী বিষয়ক গীতসমূহ অধ্যয়নৰ পূৰ্বে নাৰীৰ স্বৰূপ, স্থিতি আৰু চিত্ৰণৰ সম্যক জ্ঞান লোৱাটো প্ৰয়োজনীয় বোধ কৰা হৈছিল। সেয়েহে আলোচনাৰ তৃতীয় অধ্যায়ত অসমীয়া সমাজত নাৰীৰ স্থানৰ মূল্যায়ণ কৰিবলৈ যাওঁতে সাম্প্ৰতিক বিশ্বৰ ৰাজনীতি, সমাজ আৰু সংস্কৃতিত বিশেষভাবে চৰ্চিত নাৰীবাদ, নাৰী অধ্যয়নৰ সন্দৰ্ভতো দৃষ্টিপাত কৰা হৈছে। *ফেমিনিজম্* গ্ৰন্থৰ গ্ৰন্থকাৰ চাৰ্ভেৰ মতে নাৰীৰ পুৰুষৰ সৈতে সমতাৰ ধাৰণা বা ভাৱেই নাৰীবাদ। মূল্য আৰু গুৰুত্বৰ দিশৰ পৰা পুৰুষ আৰু নাৰীৰ মাজত কোনো প্ৰভেদ নাই। অৱশ্যে নাৰীবাদৰ ধাৰণাৰ প্ৰথম উদ্ৰেক হৈছিল ইংৰাজ দাৰ্শনিক জন ল'ক্ৰ ৰচনা *Second Treatise of Government* (1689)অত। এই গ্ৰন্থত পুৰুষৰ জীৱনত থকা নাৰীৰ অসামান্য প্ৰভাৱ আৰু গুৰুত্বক স্পষ্ট কৰা হৈছিল। পিছত মেৰী উল্‌ষ্টোনক্ৰাফ্‌টে *A Vindication of the Rights of women* (1792) নামৰ এখন গ্ৰন্থ ৰচনা কৰি সমগ্ৰ বিশ্বতে খলকনি তোলে। সেই গ্ৰন্থ অনুযায়ী নাৰী মাথোঁ এক যৌনসত্তাই নহয়, পুৰুষৰ দৰেই নাৰীও মাথোঁ মানৱ সত্তাহে বুলি প্ৰমাণিত কৰিছে। নাৰীবাদে নাৰীৰ লাস্যময়ী ৰূপটোক গুৰুত্ব নিদিয়ে যদিও কাব্য আৰু গীতি-সাহিত্য তাৰ বিপৰীতে গৈ নাৰীৰ বিভিন্ন ৰূপৰ লগতে লাস্যময়ী আৰু যৌনআবেদনময়ী ৰূপটোকো স্বীকাৰ কৰি গীতিকাৰৰ

Created by Universal Document Converter

দৃষ্টিৰে সেই ৰূপক প্ৰাধান্য দিয়া দেখা গৈছে। মানুহৰ প্ৰকৃতি আৰু স্বৰূপ অনুযায়ী একে গৰাকী নাৰীয়েই ভিন ভিন ৰূপত পুৰুষৰ চকুত ধৰা দিয়ে বুলি সাংস্কৃতিক সূত্ৰ ‘গেজ থিয়ৰী’ (Gaze Theory) অৰ পৰা অনুমান কৰাৰ প্ৰয়াস কৰা হৈছে।

মৌখিক সাহিত্যৰ দিনৰে পৰা নাৰীৰ বৰ্ণনাই অসমীয়া গীতি-সাহিত্যক ৰসাল কৰি তুলিছে। লিখিত গীতি-সাহিত্যত চৰ্যাগীতৰ দিনৰে পৰা নাৰীৰ বিভিন্ন ৰূপৰ প্ৰকাশ ঘটা দেখা গৈছে। ভক্তি সাহিত্যৰ অন্তৰ্গত গীতি-কাব্যসমূহত সীতা, ৰুক্মিণী, যশোদা , শূৰ্পণখা, সত্যভামা, দৈৱকী আদি ধৰ্মীয় চৰিত্ৰৰ উপস্থিতিয়ে কাব্যৰ সৌষ্ঠৱ বঢ়াইছে। আধুনিক গীতি-সাহিত্যকো নাৰীৰ উপস্থিতিয়ে জীপাল কৰি তুলিছে। ভালেমান গীতিকাৰে ওপজা দেশখনক মাতৃৰ লগত তুলনা কৰি নিজকে ধন্য মানিছে। লক্ষ্মীনাথ বেজবৰুৱা,পাৰ্বতিপ্ৰসাদ বৰুৱা, জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভা, আনন্দিৰাম দাস , তফজ্জুল আলি,ভূপেন হাজৰিকা, আলিমুন্নিছা পীয়াৰ, ৰুদ্ৰ বৰুৱা মলিন বৰা, নলিনীবালা দেৱী প্ৰমুখ্যে অসমৰ সৰহভাগ গীতিকাৰৰেই গীতত নাৰীয়ে কেতিয়াবা মাতৃ, কেতিয়াবা প্ৰেয়সী, কেতিয়াবা প্ৰকৃতি আৰু কেতিয়াবা বিৰহিণীৰ ৰূপ লৈ গীতটিৰ মুখ্য চৰিত্ৰৰ ভূমিকা গ্ৰহণ কৰিছে।

এই আলোচনাৰ পঞ্চম অধ্যায়টিক গৱেষণা গ্ৰন্থখনৰ প্ৰধান অধ্যায় হিচাপে বিবেচনা কৰা হৈছে। কাৰণ এই অধ্যায়টো গৱেষণাৰ বাবে বাচি লোৱা মূল বিষয়ৰ লগত সংপৃক্ত। সেয়েহে এই অধ্যায়ৰ আৰম্ভণিতে ভূপেন হাজৰিকাৰ গীতত ঘটা নাৰীৰ বিভিন্ন ৰূপৰ সমাহাৰৰ বিষয়ে আলোচনা আগবঢ়োৱা হ'ল। এই অধ্যায়ৰ বাবে ভূপেন হাজৰিকাৰ ৩৪২ টা গীত নিৰ্বাচন কৰি সেই গীতবোৰৰ গতি-প্ৰকৃতি নিৰীক্ষণ কৰাত দেখা গ'ল যে গীতিকাৰ ভূপেন হাজৰিকাই নাৰীক বিভিন্ন ৰূপেৰে সজাই পৰাই গীতত তুলি ধৰিছে। ভূপেন হাজৰিকাৰ গীতত মাতৃ ৰূপিণী নাৰী, নাৰীৰ ৰূপত প্ৰকৃতি, প্ৰেমিকাৰ ৰূপত নাৰী, সমাজ সংস্কাৰকামী নাৰী, ৰহস্যময়ী নাৰী, ছলনাময়ী নাৰী, বিৰহিণী নাৰী, গ্ৰামীণ নাৰী , জনজাতীয় আৰু জনগোষ্ঠীয় নাৰী আদি নাৰীৰ বিভিন্ন ৰূপে কেতিয়াব প্ৰকাশ্য ৰূপত আৰু কেতিয়াবা অস্পষ্ট ছবিৰ দৰে

Created by Universal Document Converter

ক্ৰিয়া কৰিছে। নাৰীৰ সৌন্দৰ্যৰ কথাও গীতিকাৰ হাজৰিকাই জীৱন্ত ৰূপত ডাঙি ধৰিছে। এই গৱেষণা গ্ৰন্থৰ গৱেষকৰ সৈতে হোৱা এটি সাক্ষাৎকাৰত সুদক্ষিণা শৰ্মাই কৈছে,

> ভূপেনদাই নাৰীক অতিশয় সন্মান কৰিছিল। শিল্পী মনৰ মানুহ হিচাপে তেওঁৰ জীৱনলৈ হয়তো প্ৰেম কেইবাবাৰো আহিছিল, কিন্তু তেওঁ কেতিয়াও কোনো নাৰীক নষ্ট কৰা নাছিল। মাতৃৰ প্ৰতিও তেওঁৰ আছিল গভীৰ মৰম আৰু সন্মান। ৰেডিঅ'ত চাকৰি কৰা কালত গোটেই দৰমহাটো মাৰ হাতত তুলি দিছিল। জীৱনৰ সুখ-দুখৰ সকলো কথাই প্ৰথমতে মাক জনাইছিল। সেয়েহে মোৰ মানত ভূপেন দাৰ গীতৰ সমূহ নাৰীৰ ভিতৰত মাতৃৰূপিণী নাৰীসকল অধিক শ্ৰেষ্ঠ। ( সা.তাং ঃ ১৩/৯/২০১৬ )

সেইদৰে ভূপেন হাজৰিকাৰ একালৰ ঘনিষ্ঠব্যক্তি ৰত্ন ওজাই ভূপেন হাজৰিকাৰ প্ৰিয় নাৰীৰ প্ৰসংগত এই গৱেষণা গ্ৰন্থৰ গৱেষকৰ সৈতে হোৱা এটা সাক্ষাৎকাৰত কৈছে,

> পুৰুষ যদিও ভূপেন হাজৰিকাৰ অন্তৰত সুপ্ত অৱস্থাত এগৰাকী মাতৃহে সোমাই আছে। সেয়েহে মাতৃৰ মমতাৰে তেওঁ ৰুগীয়া ঘনিষ্ঠজনক শুশ্ৰূষা কৰিছিল। মই ভাবো যে বিভিন্ন নাৰী বিষয়ক গীত লিখিলেও তেওঁক মাতৃৰূপিণী নাৰীসকলেহে প্ৰাধান্য পাইছিল। আৰু প্ৰেমৰ গীতসমূহো প্ৰধানকৈ পত্নী আৰু তাৰ পিছতহে তেওঁৰ প্ৰথম যৌৱনৰ প্ৰেমিকাক লৈ কিছু গীত লিখিছিল। তেওঁ 'চিতাৰ কাষত সঁহাৰি পাব বিচৰা' নাৰী গৰাকী আন কোনো নহয় , তেওঁৰ মৰমৰ পত্নী প্ৰিয়ম হাজৰিকাহে। (সা.তাং ঃ ৪/১২/২০১৫ )

ভূপেন হাজৰিকাৰ গীতৰ নাৰীৰ বিষয়ে বিভিন্নজনে বিভিন্ন মত দাঙি ধৰিলেও গীতসমূহৰ সংখ্যা আৰু তাৰ অধ্যয়নৰ পৰা বিভিন্ন নাৰীৰ মাজত নাৰীৰ প্ৰেমিকাৰ ৰূপটোৱেহে ভূপেন হাজৰিকাক অধিক আকৰ্ষণ কৰা যেন অনুমান হয়। ভূপেন হাজৰিকাৰ গীতসমূহে প্ৰেমৰ সুকীয়া সুকীয়া আয়তনক তুলি ধৰিছে। গীতৰ জৰিয়তেই ভূপেন হাজৰিকাই যদি এহাতে প্ৰেমক পাৰ্থিৱ জগতৰ সীমা চেৰাই দুৰ্লভ

Created by Universal Document Converter

আধ্যাত্মিক প্ৰেমত উপনীত কৰাইছে , আনহাতে কামনা বাসনা বিহীন ভাৱেৰে যাযাবৰী জীৱনৰ অন্ত পেলাই প্ৰেমিকাৰ এটি দৰ্শনেৰেই হিয়া শাঁত পেলাই মূৰ্তপ্ৰেমৰ অধিকাৰিণীৰ সৈতে সপোনৰ যাত্ৰা আৰম্ভ কৰিব খুজিছে। কেতিয়াবা আকৌ প্ৰিয়াৰ উমাল অংগৰ পৰশেৰে জীৱন ধন্য কৰি প্ৰেয়সীৰ নিবিড় সান্নিধ্য কামনা কৰিছে। কিন্তু এই সকলো ক্ষেত্ৰতেই প্ৰমাণিত হৈছিল যে ভূপেন হাজৰিকাৰ গীতত নাৰীয়ে এক উচ্চ স্থানত স্থিতি লাভ কৰিছে। কমল কটকীয়েও কৈছে, “ ভূপেন হাজৰিকাৰ বাবে প্ৰেম আৰু প্ৰেমিকা দুয়ো স্বৰ্গীয় বস্তু। তেনে নাৰীৰ প্ৰতিহে ভূপেন হাজৰিকা আকৰ্ষিত হৈছিল যাৰ অন্তৰখন সুন্দৰ আছিল, প্ৰজ্ঞা আৰু বুদ্ধিমত্তাই যাক সুন্দৰ কৰি তুলিছিল। কামুক-স্বাৰ্থপৰ নাৰীক অতি সুন্দৰী হ'লেও ভূপেন হাজৰিকাই সদায় প্ৰত্যাখ্যান কৰিছিল। সেই বাবে ভূপেন হাজৰিকাৰ গীতৰ নাৰীসকলো অতি উচ্চ পৰ্যায়ৰ । সন্মান সহকাৰে ভূপেন হাজৰিকাই তেওঁলোকক গীতৰ মাজত অতি উচ্চ স্থানত স্থাপন কৰিছে। ( সা.তাং ৩১/৮/২০১৬)

ছলনাময়ী নাৰী বা ৰহস্যময়ী নাৰীয়ে ভূপেন হাজৰিকাৰ গীতত স্থান পাইছিল যদিও সেইসকলৰ প্ৰতিও ভূপেন হাজৰিকাই অৱমাননাসূচক মন্তব্য আগবঢ়োৱা নাই মাথোঁ “ নতুন নাগিনী তুমি” শীৰ্ষক গীতটিৰ বাহিৰে। “নতুন নাগিনী তুমি” শীৰ্ষক গীতটিত গীতিকাৰৰ মন তিক্ততাৰে ভৰাই তোলা এগৰাকী অখ্যাত নাৰীৰ প্ৰতি শ্লেষভৰা মন্তব্য আগবঢ়োৱা দেখা গৈছে। ভূপেন হাজৰিকাৰ নাৰী-কেন্দ্ৰিক গীতসমূহত নাৰীয়ে প্ৰধান ভূমিকা গ্ৰহণ কৰিলেও দেখা যায় যে এই গীতবোৰৰ জৰিয়তে গীতিকাৰ হাজৰিকাই সমাজক যেন কিছু ইতিবাচক বাৰ্তাহে দিব বিচাৰিছিল। তাৰ বাবে ভূপেন হাজৰিকাই গীতৰ কিছুসংখ্যক নাৰী চৰিত্ৰক বাৰ্তা বহনকাৰী আহিলা হিচাপেও গ্ৰহণ কৰা দেখা গৈছে। সমূহ অধ্যয়ন আৰু আলোচনাৰ পৰা এই কথাই প্ৰতীয়মান হয় যে ভূপেন হাজৰিকাৰ ব্যক্তিগত জীৱন আৰু অভিজ্ঞতাই সমাজৰ নাৰীৰ প্ৰতি থকা দৃষ্টিভংগীৰ ৰূপান্তৰ ঘটাইছে ।নাৰীৰ সৈতে পুৰুষৰ সম্পৰ্কৰ মানৱীয় মূল্যবোধসিক্ত চিন্তাক গুৰুত্ব দিয়াৰ লগতে গীতৰ মাজেদি সমূহ নাৰীক উচ্চস্থানত ৰাখিবলৈ প্ৰয়াস কৰিছে। অৱশ্যে ভৱিষ্যতে এই বিষয়ে অধিক চিন্তা চৰ্চাৰ থল আছে। ভূপেন হাজৰিকাৰ বিশাল গীতি-সাহিত্যৰ ক্ষেত্ৰখনক

Created by Universal Document Converter

ব্যৱহাৰ কৰি গৱেষকসকলে নতুন দৃষ্টিৰে ফঁহিয়াই চালে পুনৰ ন-ন ৰূপত নাৰীক আৱিষ্কাৰ কৰিবলৈ সক্ষম হ'ব আৰু তেতিয়া ভূপেন হাজৰিকাৰ গীতত নাৰীৰ স্থান নিৰ্ণয়ত নতুন দিশ উন্মোচিত হোৱাৰ সম্ভাৱনা আছে।

Created by Universal Document Converter